# 'মহাবিদ্যালয় স্তৰত এনএছএছৰ গুৰুত্ব' শীৰ্ষক বক্তৃতানুষ্ঠান সম্পন্ন




**আমাৰ বিশেষ খবৰ, হাজো, ২ ছেপ্টেম্বৰ ঃ** হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ 'ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট'ৰ যোৱা ১ ছেপ্টেম্বৰত 'মহাবিদ্যালয় স্তৰত ৰাষ্ট্ৰীয় সেৱা আঁচনি (এন এছ এছ)ৰ গুৰুত্ব' শীৰ্ষক এখনি বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত এই বক্তৃতানুষ্ঠানটোত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ সঞ্চালকালয়ৰ সঞ্চালক ড° ৰঞ্জন কুমাৰ কাকতি আৰু আই আই ই গুৱাহাটীৰ জ্যেষ্ঠ প্ৰজেক্ট অফিচাৰ হেমন্ত কুমাৰ ৰাভাই। দুয়োগৰাকী বক্তাই মূলতঃ ছাত্ৰ-ছাত্ৰীসকলে পঢ়া-শুনাৰ সমান্তৰালকৈ কিদৰে এন এছ এছৰ যোগেদি সমাজসেৱাৰ সুবিধা লাভ কৰাৰ উপৰি নেতৃত্ব ল'ব পৰা দক্ষতা আহৰণ কৰিব পাৰি এই সন্দৰ্ভত বিশদভাৱে বক্তব্য দাঙি ধৰে। এন এছ এছৰ বিভিন্ন কাৰ্যপন্থা, এন এছ এছৰ গুৰুত্ব সম্পৰ্কেও দুয়োগৰাকী বক্তাই ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসহ প্ৰায় তিনিশ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই বক্তৃতানুষ্ঠানৰ আঁত ধৰে এন এছ এছ গোটৰ প্ৰগ্ৰেম অফিচাৰ অধ্যাপক ৰাজীৱ দাসে আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অধ্যাপক ড° আলী আকবৰ খন্দেইনে। মহাবিদ্যালয়খনৰ ছাত্ৰ তথা এন এছ এছৰ স্বেচ্ছাসেৱক শশাংক শিখৰ চৌধুৰীয়েও এন এছ এছৰ বিষয়ে সমল ব্যক্তি দুয়োগৰাকীৰ বক্তব্যৰ আঁত ধৰি চমু বক্তব্য আগবঢ়ায়।